# অন্য সংস্কৃতিৰ এজনী দাসীয়ে তাইৰ গৰাকীক সহায় কৰিলে

আমাৰ পৰা পৃথক লোকক প্ৰেম কৰিবলৈ ল'ৰা-ছোৱালীক শিকাওক।

**প্ৰাৰ্থনা ঃ** 'প্ৰিয় প্ৰভু, অনুগ্ৰহ কৰি এই অধ্যয়নৰ যোগেদি, ল'ৰা-ছোৱালীক তেওঁলোকৰ পৰা পৃথক, আনকি অন্ধ, কলা আৰু অন্য সংস্কৃতিৰ লোককো প্ৰেম কৰিবলৈ সহায় কৰক।'

ল'ৰা-ছোৱালীৰ বয়স, বুজিব পৰা শক্তি আৰু প্ৰয়োজনত খাপ খুউৱা কামবোৰ **বাচি লওক।**

অৰামীয়াৰ প্ৰধান সেনাপতি, যিজনৰ কুষ্ঠৰোগ আছিল, তেওঁৰ বিষয়ে **শিক্ষা দিবলৈ প্ৰস্তুত কৰক, ২ ৰাজাৱলি ৫:১-১৬।** এজনী সৰু ছোৱালীয়ে ঈশ্বৰৰ প্ৰেম আৱিষ্কাৰ কৰিবলৈ কিদৰে তাইৰ গৰাকীক সহায় কৰিলে সেই কথা ইয়াতে লিখা আছে।



এগৰাকী ল'ৰা/ছোৱালীক কাহিনীটো মুখস্থ ক'বলৈ দিয়ক। এতিয়া তলত দিয়া প্ৰশ্নবোৰ কৰক। *(প্ৰত্যেক প্ৰশ্নৰ অন্তত উত্তৰবোৰ দিয়া আছে।)*

- নামান কেনে ধৰণৰ মানুহ আছিল আৰু তেওঁৰ কি ৰোগ আছিল? *(১ পদ চাওক)*
- কিয় এজনী ইস্ৰায়েলীয়া ছোৱালী এটি অৰামীয়া পৰিয়ালৰ লগত আছিল? *(২ পদ চাওক)*
- তাই এজনী দাসী হ'লেও, কিয় নিজৰ গৰাকীৰ প্ৰতি প্ৰেম দেখুৱালে? *(৩ পদ)*
- সুস্থ হ'বলৈ ইলীচাই নামানক কি পৰামৰ্শ দিলে? *(১০ পদ)*
- ইলীচাৰ পৰামৰ্শৰ বিষয়ে নামানে কি ভাবিলে? *(১১ পদ)*
- নামানে ইলীচাৰ পৰা কেনে ব্যৱহাৰ বিচাৰিছিল? *(১১ পদ।* তেওঁ নামানৰ পৰা এক মনত লগা আশ্চৰ্য্য কাৰ্য্য আশা কৰিছিল, কাৰণ নামান এগৰাকী চহকী আৰু মহান ব্যক্তি আছিল।*)*
- ভাববাদীৰ পৰামৰ্শ মানিবলৈ কোনে নামানক জোৰ কৰিলে? *(১৩ পদ)*
- নামানক সুস্থ কৰাৰ দাম ইলীচাই কিয় নুখুজিলে? *(১৬ পদ। ইলীচাই নামানে এই কথা বুজা ইচ্ছা কৰিছিল যে তেওঁ চহকী আৰু মহান হোৱা হেতুকে ঈশ্বৰে তেওঁক সুস্থ কৰা নাই, কিন্তু ঈশ্বৰক বিশ্বাস কৰা আৰু বাধ্য হোৱা কাৰণেহে।)*

নামানৰ সুস্থতাৰ **নাট কৰক**। যদি ইচ্ছা কৰে, ইয়াৰে কিছু অংশ কৰিব পাৰে।

- এই নাট পৰিৱেশন কৰিবলৈ প্ৰধান উপাসনাৰ চলাওঁতাৰ লগত ব্যৱস্থা কৰক।
- ডাঙৰ ল'ৰা-ছোৱালীয়ে সৰুবোৰক নাট প্ৰস্তুত কৰাত সহায় কৰক।
- ডাঙৰ ল'ৰা-ছোৱালী বা বয়সস্থ সকলে ছোৱালী, ভাৰ্য্যা, নামান, গেহজী, ইস্ৰায়েলৰ ৰজা, ইলীচা, আৰু বৰ্ণনাকাৰীৰ ভাও লওক। নামানে এটুকুৰা কাগজ হাতত ধৰি থাকক।
- সৰু ল'ৰা-ছোৱালীয়ে নামানৰ দাস বিলাকৰ ভাও কৰক।

**বৰ্ণনাকাৰী ঃ** ২ ৰাজাৱলি ৫ঃ১-১৬ ৰ পৰা কাহিনীটো কওক। এতিয়া কয়, 'নামানৰ ভাৰ্য্যাক দাসী ছোৱালীজনীয়ে কি কয় শুনক।"

**ছোৱালী ঃ** 'মহাশয়া, মোৰ গৰাকী নামান দুঃখিত কাৰণ তেওঁ কুষ্ঠৰোগী। মই তেওঁক সহায় কৰিব খোজোঁ। অনুগ্ৰহ কৰি তেওঁ ইস্ৰায়েলত থকা ঈশ্বৰৰ ভাববাদীৰ ওচৰলৈ যাব অনুৰোধ কৰক।'

**ভাৰ্য্যা ঃ** নামানৰ ওচৰলৈ গৈ কয়, 'আপুনি সকলো চেষ্টা কৰিলে। ইস্ৰায়েলৰ ভাববাদীক বিচাৰি যাওক। হয়তো তেওঁ আপোনাক সুস্থ কৰিব।'

**নামান ঃ** “মই আমাৰ অৰামৰ ৰজাক এই অনুৰোধ কৰি এখন চিঠি পঠিয়াম।” (দাসবোৰৰ লগত ৰজাৰ ওচৰলৈ যায়। প্ৰণিপাত কৰি, তেওঁলৈ পত্ৰখন দিয়ে।)

কয়, “ইস্ৰায়েলৰ মহান ৰজা! অৰামৰ মোৰ ৰজাৰ এই অনুৰোধ অনুগ্ৰহ কৰি পঢ়ক। ভাববাদী গৰাকী ক'ত আছে মোক কওক, যিজনে মোক সুস্থ কৰিব পাৰে।”

**ইস্ৰায়েলৰ ৰজা ঃ** ‘মই ঈশ্বৰে নে, যে কুষ্ঠৰোগ সুস্থ কৰিব পাৰোঁ? তোমাৰ ৰজাই মোৰ লগত যুঁজ কৰিব বিচাৰিছে!’

**নামান আৰু দাসবোৰ ঃ** তলমূৰ কৰি বিষাদ মনেৰে আঁতৰি যায়। দাসবোৰে এইদৰে কয়, ‘ইমান দুঃখদায়ক!’ কোনেও এই বেয়া বেমাৰ সুস্থ কৰিব নোৱাৰে।

**গেহজী ঃ** নামানৰ ওচৰলৈ গৈ প্ৰণিপাত কৰে। ‘সেনাপতি নামান, মোৰ গৰাকী ভাববাদী ইলীচাই এগৰাকী সত্য ঈশ্বৰৰ ক্ষমতা আপোনাক দেখুৱাব পাৰে। আহক আৰু তেওঁক দেখা কৰক!’

**নামান ঃ** নিজৰ দাসবোৰক কয়, ‘এতিয়া মই মহান ক্ষমতা থকা এজনক লগ কৰিম, কাৰণ মই এগৰাকী ক্ষমতাশালী মানুহ আৰু ইয়াৰ বাবে মই অধিক ধন দিব পাৰিম।’

**গেহজী ঃ** ‘নামান, মোৰ গৰাকীয়ে আপোনাক যৰ্দ্দন নদীত গৈ সাত বাৰ জোবোৰা মাৰিবলৈ কৈছে।’

**নামান ঃ** (খঙেৰে) ‘নহ'ব! মই সেই বোকা পানীত জোবোৰা মাৰিব নোৱাৰোঁ, আমাৰ নদীবোৰ ইয়াতকৈ পৰিস্কাৰ।’

**দাসবোৰ ঃ** এইদৰে কয়, ‘যদিহে কিবা মহৎ কাম তেওঁ কৰিবলৈ কয়, আপুনি নিশ্চয় কৰিব!’ অনুগ্ৰহ কৰি যাওক। ‘অনুগ্ৰহ কৰি ঈশ্বৰৰ ভাববাদীয়ে কি কৈছে কৰকগৈ।’

**নামান ঃ** নদীত সাতবাৰ জোবোৰা মাৰা ভাও কৰে।

**দাসবিলাক ঃ** এইদৰে কয়, ‘চোৱাহঁক’ তেওঁৰ কুষ্ঠৰোগ নাইকিয়া হ'ল। তেওঁ সম্পূৰ্ণ আৰোগ্য হ'ল।’

**নামান ঃ** ইলীচাৰ ওচৰলৈ গৈ কয়, ‘এই মহৎ আচৰিত কামৰ বাবে মই আপোনাক ধন দিম।’

**ইলীচা ঃ** ‘নাই! ঈশ্বৰৰ টকাৰ প্ৰয়োজন নাই। তেওঁ সত্য ঈশ্বৰ জনাক দেখুৱাবলৈ, তেওঁ আপোনাক সুস্থ কৰিলে।’

**নামান ঃ** ছোৱালীজনীৰ ওচৰলৈ গৈ মূৰ দোৱাঁই কয়, ‘ধন্যবাদ সৰু ছোৱালী এজন সত্য ঈশ্বৰক জানিবলৈ মোক সহায় কৰাৰ নিমিত্তে। যদিও তোমাক মই তোমাৰ দেশৰ পৰা দাসীৰূপে আনিছোঁ, তথাপি তুমি মোৰ বাবে চিন্তা কৰিলা।’

**বৰ্ণনাকাৰী ঃ** নাটত সহায় কৰা আটাইকে ধন্যবাদ জনায়। শুনাৰ বাবে বয়সস্থসকলক ধন্যবাদ দিয়ে।

**প্ৰশ্নবোৰ ঃ** বয়স্থসকলৰ নিমিত্তে যদি নাটখন পৰিৱেশন কৰা হয়, তেন্তে ওপৰৰ তালিকাত দিয়া প্ৰশ্নবোৰ কৰিবলৈ দিয়ক।

**ছবি আঁকা,** এখন নদীত এগৰাকী মানুহৰ ছবি এখন ল'ৰা-ছোৱালীক আঁকিবলৈ দিয়ক।

- উপাসনাৰ সময়ত ল'ৰা-ছোৱালীয়ে ছবিবোৰ বয়স্থসকলক দেখুৱাওক।
- তেওঁলোকক ব্যাখা কৰিবলৈ দিয়ক যে ঈশ্বৰে সৰু ল'ৰা-ছোৱালীৰ মৰম ব্যৱহাৰ কৰি মানুহক জানিবলৈ সহায় কৰে যিহে আৰোগ্যতা আৰু পাপ ক্ষমা কৰে।

**আলোচনা ঃ** আমাৰ পৰা পৃথক, যাক আমি প্ৰেম কৰিব আৰু পৰিচৰ্য্যা কৰিব পাৰোঁ এনে আন উদাহৰণ ল'ৰা-ছোৱালীক দিবলৈ কওক।

**কবিতা ঃ** যাকোব ৪২:১-৬ পদকেইটা দুটাকৈ তিনি গৰাকী ল'ৰা-ছোৱালীক মুখস্থ মাতিবলৈ দিয়ক।

**ডাঙৰ ল'ৰা-ছোৱালীক** গীতমালা ৬৭ নম্বৰৰ আলম লৈ সকলো জাতিৰ কাৰণে ঈশ্বৰৰ প্ৰেমৰ বিষয়ে একোটি পদ্য অথবা গীত **লিখিবলৈ দিয়ক**। এই কাম সিহঁতে সপ্তাহটোত কৰিব পাৰে।

**মুখস্থ কৰক ঃ** গীতমালা ৬৭:২-৩ পদ।

**প্ৰাৰ্থনা ঃ** “প্ৰিয় প্ৰভু আমাৰ পৰা পৃথক লোকক প্ৰেম কৰিবলৈ আমাক সহায় কৰক। অন্ধ, কলা আৰু অন্য সংস্কৃতি আৰু ধৰ্ম্মৰ লোকক প্ৰেম কৰিবলৈ আমাক সহায় কৰক।”

Copyright © 2004 by Paul-Timothy. Download Paul-Timothy studies freely from www.Paul-Timothy.net.